শিকনৰ ফলাফল

চতুৰ্থ শ্ৰেণী

ভাষা ঃ অসমীয়া

ছাত্ৰ-ছাত্ৰীয়ে ঃ

- ছাত্ৰ-ছাত্ৰীয়ে গল্প, কাহিনী, জীৱনী আদি পঢ়ি নিজৰ কথাৰে ক'ব, প্ৰশ্ন কৰিব আৰু নিজৰ ভাব সংযোজন কৰিব পাৰিব।
- শিশু-সাহিত্য, শিশু পত্ৰিকা, প্ৰচাৰ পত্ৰিকা আৰু দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায়ত সাধু, গল্প আদি ক'ব আৰু নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- ছবিৰ আধাৰত গল্প, কাহিনী, সাধু আদি পঢ়ি, বুজি নিজাববীয়াকৈ ক'ব। ঘটনাৰ বিষয়ে প্ৰশ্ন কৰিব আৰু আনে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিব।
- চিন্তা আৰু কল্পনা শক্তিৰ বিকাশৰ বাবে দেখি, শুনি, পঢ়ি হোৱা অভিজ্ঞতাবোৰ নিজাববীয়াকৈ মৌখিক আৰু লিখিত ৰূপত প্ৰকাশ কৰিব পাৰিব।
- ভিন ভিন উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি উপযুক্ত শব্দ আৰু বাক্য নিৰ্বাচন কৰি শ্ৰৱণ, কথন, পঠন আৰু লিখনৰ কৌশল আয়ত্ত কৰিব পাৰিব।
- ভিন ভিন লিখনিত পোৱা নতুন শব্দৰ অৰ্থ সুনিশ্চিত কৰিবলৈ অভিধান ব্যৱহাৰ কৰিব পাৰিব।
- শ্ৰেণীকক্ষত বহুভাষিক শব্দ অৰ্থৰ তালিকা প্ৰস্তুত কৰিব পাৰিব।
- জাতীয় সাহিত্য-সংস্কৃতি, ঐতিহ্য-পৰম্পৰা সম্পৰ্কীয় সহজ-সৰল লিখনি পঢ়ি এইবোৰৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাব জাগ্ৰত হ'ব।
- যুক্তাক্ষৰযুক্ত শব্দ ব্যৱহাৰ কৰি সাধু, কবিতা, গল্প আদি ক'ব পাৰিব।
- স্তৰ অনুসৰি ব্যাকৰণৰ ব্যৱহাৰ জানি প্ৰয়োগ কৰিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, বৰ্ণ বৈষম্য আৰু লিংগ বৈষম্য দূৰীকৰণ আদিৰ বিষয়ে পঢ়ি প্ৰয়োজন সাপেক্ষে বাস্তৱ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- যুক্তাক্ষৰ পঢ়িব, ভাঙিব আৰু গঠন কৰিব লগতে যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।

Learning Outcomes

Class IV **English**

The learner:

- responds to simple instructions, announcements in English.
- answers orally / in writing in English / Braille / signs to questions based on the texts read or heard.
- infers the meaning of unfamiliar words in context, also uses dictionary.
- uses punctuation marks such as question mark, comma, full stop and capital letters appropriately.
- writes short words / phrases as dictated by teacher.
- participates in role-play, poetry recitation, quiz, speech etc.
- describes briefly, in meaningful sentences, events / places / experiences.
- reads subtitles on T.V., headlines in newspapers.
- writes informal letters / messages.
- uses linking words such as ‘First’, ‘Next’, ‘Then’ etc. to indicate connections.
- uses words such as 'mountain', 'feel', 'large', 'a / an' etc.
- writes for class magazine / noticeboard.
- reads stories, poems, etc. in English / Braille.
- speaks briefly on issues like conservation of water / health / hygiene etc.
- expresses orally / in writing about variety in food, dress and culture as read in story books / seen in videos, films etc.

विद्यया ऽमृतमश्नुते
एन सी ई आर टी
NCERT

सत्यमेव जयते
Education (Elementary) Department
Government of Assam

शिक्षा का अधिकार
सर्व शिक्षा अभियान
सब पढ़े सब बढ़े

শিকনৰ ফলাফল

চতুৰ্থ শ্ৰেণী

পৰিৱেশ অধ্যয়ন

ছাত্ৰ-ছাত্ৰীয়ে ঃ

- চৌপাশে থকা ফুল, ফল আৰু শিপাৰ সাধাৰণ বৈশিষ্ট্যসমূহ (যেনে- আকৃতি, বৰণ, গোন্ধ, এইবোৰ ক'ত পোৱা যায় ইত্যাদি) চিনাক্ত কৰিব লগতে চৰাই আৰু প্ৰাণীৰ বৈশিষ্ট্য (যেনে- চৰাইৰ ঠোঁট, বাহ আৰু প্ৰাণীৰ দাঁত, হাতোৰা, কাণ, নোম, বাসস্থান আদি) চিনাক্ত কৰিব পাৰিব।
- যৌথ পৰিয়ালৰ সদস্যসকলৰ মাজত থকা সম্বন্ধবোৰ চিনাক্ত কৰিব পাৰিব।
- জাক পাতি থকা/দলবদ্ধভাৱে থকা প্ৰাণীবোৰৰ (যেনে- পৰুৱা, মৌ-মাখি, হাতী আদি) দলীয় আচৰণ, চৰাইৰ বাহ সজা কাৰ্য, পৰিয়ালত সন্তান জন্ম, বিবাহ, কোনো সদস্যৰ স্থানান্তৰিত সূত্ৰে হোৱা পৰিৱৰ্তনবোৰ বৰ্ণনা কৰিব পাৰিব।
- দক্ষতাৰ আৱশ্যক হোৱা কিছুমান কাম (যেনে- কৃষি কাৰ্য, নিৰ্মাণ কাৰ্য, কলা/শিল্প আদি), কিছুমান উত্তৰাধিকাৰী সূত্ৰে কৰি অহা শিল্প-কলা আৰু এইবোৰৰ বাবে প্ৰয়োজন হোৱা প্ৰশিক্ষণ, এনেবোৰ প্ৰশিক্ষণ অনুষ্ঠানৰ ভূমিকা আদিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা আৰু প্ৰস্তুত কৰা প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- অতীত আৰু বৰ্তমানৰ পৰিবহন ব্যৱস্থা, মুদ্ৰা, ঘৰ, সামগ্ৰী, সা-সঁজুলি/আহিলাপাতি আদিৰ পাৰ্থক্য উলিয়াব পাৰিব।
- প্ৰাণী, চৰাই, উদ্ভিদ, বস্তু, বৰ্জনীয় পদাৰ্থ ইত্যাদিৰ বৈশিষ্ট্যবোৰ (যেনে- বাহ্যিক ৰূপ, প্ৰবৃত্তি, চাৰিত্ৰিক বৈশিষ্ট, ব্যৱহাৰ আদি) পৰ্যৱেক্ষণ কৰি শ্ৰেণী বিভাজন কৰিব পাৰিব।
- যিকোনো পৰিঘটনাৰ ধৰ্ম, চৰ্ত আদিৰ সত্যাসত্য সৰল সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰিব পাৰিব; বস্তুৰ দৈৰ্ঘ, ওজন আদি জোখ-মাখ কৰি স্থানীয়/নিৰ্ধাৰিত এককত (কিলো, গজ, পাব আদি) উলিয়াব পাৰিব।
- পৰ্যৱেক্ষণ আৰু অভিজ্ঞতাৰ পৰা আহৰণ কৰা তথ্যসমূহ প্ৰণালীবদ্ধভাৱে সজাই তালিকা, চিত্ৰ, দণ্ড চিত্ৰ, পাই চিত্ৰ আদিৰ দ্বাৰা নথি তৈয়াৰ কৰিব পাৰিব। ইয়াৰ উপৰি কিছুমান পৰিঘটনাৰ 'কাৰণ আৰু প্ৰভাৱৰ' মাজত সম্পৰ্ক অনুমান কৰিব পাৰিব। (যেনে- বাষ্পীভৱণ, ঘনীভৱন, দ্ৰৱীভূত কৰণ, শোষণ ইত্যাদি।)
- মানচিত্ৰত বিদ্যালয়, চুবুৰীয়া অঞ্চল, কোনো ঠাইৰ স্থিতি, গুৰুত্বপূৰ্ণ ঠাই আদি চিনাক্ত কৰিব পাৰিব আৰু আনকো সেইবোৰ বিচাৰি উলিওৱাত নিৰ্দেশনা দিব পাৰিব।
- নামফলক, পোষ্টাৰ, মুদ্ৰা (টকা-পইচা), ৰে'লৰ টিকট, সময়সূচী আদিত দিয়া তথ্যৰ ব্যৱহাৰ কৰিব পাৰিব।
- স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, মডেল, আল্পনা, পোষ্টাৰ, এলবাম, বিদ্যালয়/চুবুৰীয়া অঞ্চলৰ সৰল মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব।
- ঘৰ, বিদ্যালয়, চুবুৰীয়া অঞ্চল নিৰীক্ষণ কৰি সামাজিক ব্যৱস্থাৰ বিষয়ে আহৰণ কৰা কিছু অভিজ্ঞতা (যেনে- লিঙ্গভিত্তিক কাৰ্য, বৈষম্যতা, শিশুৰ অধিকাৰ) আদিৰ ওপৰত নিজৰ মতামত দিব পাৰিব।
- স্বাস্থ্য আৰু স্বাস্থ্যবিধি, খাদ্য, পানী আদি ব্যৱহাৰত মিত্যবয়ী হোৱা, এবাৰ ব্যৱহাৰ কৰা পানী পুনৰ ব্যৱহাৰ কৰা বা পুনৰাৱৰ্তন কৰা, জীৱ আৰু সম্পদৰ (খাদ্য, পানী ৰাজহুৱা সম্পত্তি আদিৰ) যত্ন লোৱা আদি বিভিন্ন ব্যৱস্থাৰ ওপৰত পৰামৰ্শ আগবঢ়াব পাৰিব।

শিকনৰ ফলাফল

চতুর্থ শ্রেণী

গণিত

ছাত্র-ছাত্রীয়ে ঃ

- দৈনন্দিন জীৱনৰ লগত জড়িত টকা-পইচা, দৈর্ঘ, ভৰ আৰু ধাৰণ-ক্ষমতা সম্বন্ধীয় সহজ বাস্তৱ সমস্যাসমূহ চাৰি প্ৰক্ৰিয়া ব্যৱহাৰ কৰি সমাধান কৰিব পাৰিব।
- প্ৰদত্ত ছবিৰ পৰা আধা, এক চতুর্থাংশ আৰু তিনি চতুর্থাংশ চিনাক্ত কৰিব পাৰিব।
- বস্তু সংগ্ৰহ কৰি প্ৰতীক বা চিহ্নৰে ইয়াক উপস্থাপন কৰিব পাৰিব।
- এটা বৃত্তৰ কেন্দ্ৰ, ব্যাসার্ধ আৰু ব্যাস চিনাক্ত কৰিব পাৰিব।
- কাগজ ভাঁজ কৰি, কাগজ কাটি, চিয়াহীৰ টোপাল ইত্যাদিৰে সমমিতিৰ ধাৰণা দেখুৱাব পাৰিব।
- সৰল জ্যামিতিক আকৃতি (ত্ৰিভুজ, আয়ত, বর্গ) বোৰৰ কালি আৰু পৰিসীমা এটা প্ৰদত্ত আকৃতিৰ একক হিচাপে লৈ উলিয়াব পাৰিব।
- সাধাৰণতে দিনটোৰ পৰিচিত কার্যবোৰত প্ৰয়োজন হোৱা সময় নিৰূপণ কৰিব পাৰিব।
- পূৰণ আৰু হৰণ (৯ৰ গুণিতকলৈকে)ত থকা চানেকিবোৰ চিনাক্ত কৰিব পাৰিব।
- সমমিতিত থকা জ্যামিতিক চানেকিবোৰ চিনাক্ত কৰিব আৰু বিস্তৃত কৰিব পাৰিব।
- সংগৃহীত তথ্যৰ তালিকা কৰি দণ্ডলেখৰ সহায়ত ইয়াক উপস্থাপন কৰিব আৰু ব্যাখ্যা কৰি সিদ্ধান্তত উপনীত হ'ব পাৰিব।

প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়ো, সকলোৰে আগবাঢ়ো